NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

Date : 06-10-2026
Time: 0705 Hrs

Assamese Morning Bulletin
Headlines

::::::::::::::::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ ক্ৰীড়া সামগ্ৰী উদ্যোগ খণ্ডক ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত নতুন মান গঢ়ি তুলিবলৈ আৰু গোলোকীয় বজাৰত ভাৰতৰ স্থিতি সবল কৰি তুলিবলৈ আহ্বান জনাইছে।

২। কেন্দ্ৰীয় কৰ্মচাৰী, ৰাজহুৱা ওজৰ আপত্তি নিষ্পত্তি আৰু পেন্সন দপ্তৰৰ ৰাজ্য মন্ত্ৰী ডাঃ জিতেন্দ্ৰ সিঙে আজি নতুন দিল্লীত ৰাষ্ট্ৰজোৰা ডিজিটেল জীৱন প্ৰমাণ পত্ৰ অভিযানৰ পঞ্চম সংস্কৰণ মুকলি কৰিব।

৩। ভাৰতে ২০৩০ চনৰ ভিতৰত অজীৱাশ্ম ইন্ধনৰ পৰা বিদ্যুৎ উৎপাদনৰ সামৰ্থ্য বৃদ্ধি কৰাৰ উদ্দেশ্যে ২২ হাজাৰ কোটি ডলাৰ বিনিয়োগৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে প্ৰকাশ কৰিছে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত শীঘ্ৰেই শান্তি চুক্তি সম্পাদন হ'ব বুলি বিশ্বাস ব্যক্ত কৰিছে। ***আৰু***

৫। ভাৰতে এছিয়ান হকী চেম্পিয়নশ্বিপৰ খিতাপ অৰ্জন কৰিছে।

oooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ ক্ৰীড়া সামগ্ৰী উদ্যোগ খণ্ডক ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত নতুন মান গঢ়ি তুলিবলৈ আৰু গোলোকীয় বজাৰত ভাৰতৰ স্থিতি সবল কৰি তুলিবলৈ আহ্বান জনাইছে। নতুন দিল্লীত কালি সদ্যসমাপ্ত এছিয়ান পেৰা গেমছ ২০২৬ ত অংশগ্ৰহণ কৰা ভাৰতীয় খেলুৰৈসকলৰ সৈতে মত বিনিময় কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য কৰে। এইবাৰ জাপানৰ আইচি নাগোয়াত অনুষ্ঠিত এছিয়ান পেৰা গেমছত ভাৰতে এতিয়ালৈকে সৰ্বোত্তম প্ৰদৰ্শন কৰে। মুঠ ৯৭ গৰাকী ভাৰতীয় পেৰা এথলীটে ৩০ টা সোণ, ৩৫ টা ৰূপ আৰু ৪৯ টা ব্ৰঞ্জৰ পদকসহ মুঠ ১১৪ টা পদক লাভ কৰে। এই কাৰ্যসূচীত খেলুৰৈ, প্ৰশিক্ষক, ভাৰতৰ পেৰা অলিম্পিক সমিতি আৰু ইণ্ডিয়ান অলিম্পিক এছোচিয়েছনৰ বিষয়ববীয়া, ৰাষ্ট্ৰীয় ক্ৰীড়া ফেডাৰেছনৰ প্ৰতিনিধি, যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ বিষয়াসকলে অংশগ্ৰহণ কৰে।

oooo

কেন্দ্ৰীয় কৰ্মচাৰী, ৰাজহুৱা ওজৰ আপত্তি নিষ্পত্তি আৰু পেন্সন দপ্তৰৰ ৰাজ্য মন্ত্ৰী ডাঃ জিতেন্দ্ৰ সিঙে আজি নতুন দিল্লীত ৰাষ্ট্ৰজোৰা ডিজিটেল জীৱন প্ৰমাণ পত্ৰ অভিযানৰ পঞ্চম সংস্কৰণ মুকলি কৰিব। পেন্সন আৰু পেন্সনাৰ কল্যাণ বিভাগে আয়োজন কৰা এই মাহজোৰা আভিযান ৩০ নৱেম্বৰলৈ অব্যাহত থাকিব। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ডিজিটেল প্ৰযুক্তি বিশেষকৈ জীৱন প্ৰমাণ এপ্ ব্যৱহাৰ কৰি মুখমণ্ডলৰ জৰিয়তে সত্যাসত্য নিৰূপনেৰে পেন্সনাৰসকলৰ বাবে জীৱন প্ৰমাণপত্ৰ দাখিলৰ প্ৰক্ৰিয়া অধিক সুচল আৰু সুবিধাজনক কৰি তোলাই এই অভিযানৰ মূল উদ্দেশ্য। ৰাজহুৱা খণ্ডৰ বেংক, ভাৰতীয় ডাক ধনাদায় বেংক, ইউ আই ডি এ আই, পেন্সনাৰ কল্যাণ সংস্থা আৰু বিভিন্ন মন্ত্ৰালয় তথা বিভাগৰ সহযোগত এই অভিযান ৰূপায়ণ কৰা হ'ব। এই অভিযানৰ জৰিয়তে ৮০ বছৰ বা ইয়াৰ উৰ্ধৰ জ্যেষ্ঠ পেন্সনাৰ, মহিলা পেন্সনাৰ আৰু স্বাস্থ্য সমস্যাত ভোগা পেন্সনাৰসকলক সুবিধা প্ৰদানত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। বয়স অথবা

স্বাস্থ্যজনিত সমস্যাৰ বাবে অভিযানথলীত উপস্থিত হ'ব নোৱাৰা পেন্সনাৰসকলৰ বাবে ঘৰতেই জীৱন প্ৰমাণপত্ৰ দাখিলৰ সুবিধা উপলব্ধ কৰা হ'ব বুলি মন্ত্ৰালয়ে জানিবলৈ দিছে।

০০০০

ভাৰতে ২০৩০ চনৰ ভিতৰত অজীৱাশ্ম ইন্ধনৰ পৰা বিদ্যুৎ উৎপাদনৰ সামৰ্থ্য ১৯০ গিগাৱাট বৃদ্ধি কৰাৰ উদ্দেশ্যে ২২ হাজাৰ কোটি ডলাৰ বিনিয়োগৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি কেন্দ্ৰীয় নতুন আৰু নবীকৰণযোগ্য শক্তি দপ্তৰৰ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত ভাৰত নবীকৰণযোগ্য শক্তি শীৰ্ষ সম্মিলনৰ সামৰণি অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয় যে বিগত দুটা বছৰত নবীকৰণযোগ্য শক্তি খণ্ডত ঘৰুৱা বিনিয়োগ আৰু প্ৰত্যক্ষ বিদেশী বিনিয়োগসহ মুঠ ৭ লাখ কোটি টকা বিনিয়োগ হৈছে। তেওঁ কয় যে বিনিয়োগৰ এই ধাৰা আগলৈ অব্যাহত থাকিব আৰু ভাৰতে নিৰ্ধাৰিত সময়ৰ ভিতৰত ৫০০ গিগাৱাট বিদ্যুৎ উৎপাদনৰ সামৰ্থ্য অৰ্জনৰ লক্ষ্যত উপনীত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্দেশ অনুযায়ী আৰু ৩০০ গিগাৱাট সামৰ্থ্য সংযোজনৰ বাবে ৰণকৌশল যুগুত কৰা হৈছে বুলি শ্ৰীযোশীয়ে উল্লেখ কৰে। তেওঁ কয় যে দেশত সম্প্ৰতি অজীৱাশ্ম ইন্ধন উৎসৰ পৰা ৩১০ গিগাৱাট বিদ্যুৎ উৎপাদন ক্ষমতা আছে আৰু কেন্দ্ৰীয় চৰকাৰে ২০৩০ চনৰ ভিতৰত এই সামৰ্থ্য ৫০০ গিগাৱাটলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। অনুষ্ঠানত ভাগ লৈ নবীকৰণযোগ্য শক্তি সচিব সন্তোষ কুমাৰ সাৰংগীয়ে কয় যে চৰকাৰে সৌৰ প্ৰণালীৰ আৱৰ্জনা পুনৰ ব্যৱহাৰযোগ্য কৰি তোলাৰ উদ্দেশ্যে নতুন নীতি নিৰ্দেশনা যুগুতাই আছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ২ নৱেম্বৰত এই সম্মিলন উদ্বোধন কৰিছিল। এই উপলক্ষে দিয়া ভাষণত শ্ৰীমোদীয়ে কোভিড-১৯ মহামাৰী আৰু পশ্চিম এছিয়াৰ সংকটৰ ফলত উদ্ভৱ হোৱা গোলকীয় বিপৰ্যয়ৰ পৰা দেশক সু�ৰক্ষিত ৰখাৰ দিশৰ পৰা নবীকৰণযোগ্য শক্তি খণ্ডত ভাৰতৰ নিৰন্তৰ বিনিয়োগৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰিছে।

০০০০

কলহ্নৰ ৰাজতৰংগিনি, মহাভাৰত আৰু কৌটিল্যৰ অৰ্থশাস্ত্ৰক ইউনেস্কোৰ এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ বিশ্ব স্মৃতিপঞ্জীত অন্তৰ্ভুক্ত কৰা হৈছে। ইণ্ডোনেছিয়াৰ জাকার্টাত অনুষ্ঠিত একাদশ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই গ্ৰন্থ অন্তৰ্ভুক্ত কৰাৰ পাছত পঞ্জীত অন্তৰ্ভুক্ত কৰা ভাৰতৰ সাহিত্যিক আৰু বৌদ্ধিক ৰচনাৰ সংখ্যা ৬লৈ বৃদ্ধি পালে। ৰাজতৰংগিনি নামৰ গ্ৰন্থখনত কাশ্মীৰৰ ইতিহাসৰ বৰ্ণনাৰে সমৃদ্ধ আৰু মহাভাৰততে ধৰ্ম, কৰ্তব্য আৰু মানৰ প্ৰমূল্যৰ কথা কোৱা হৈছে। ইয়াৰ বিপৰীতে কৌটিল্যৰ অৰ্থশাস্ত্ৰত শাসন ব্যৱস্থা কূটনীতি আৰু ৰাষ্ট্ৰ পৰিচালনাৰ বিষয় উল্লেখ পোৱা যায়। ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা কেন্দ্ৰৰ সদস্য সচিব ড০ সচ্চিদানন্দ যোশীয়ে গ্ৰন্থ তিনিখনৰ অন্তৰ্ভুক্তিৰ বিষয়ে সদৰি কৰে। উল্লেখযোগ্য যে শ্ৰীযোশীয়ে গ্ৰন্থ তিনিখন তালিকাত অনুৰ্ভুক্ত কৰোৱাৰ উদ্দেশ্যে মনোনয়ন প্ৰক্ৰিয়াৰ বাবে প্ৰয়োজনীয় নথি প্ৰস্তুত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে চলিত বৰ্ষৰ কমনৱেল্থ ৰাষ্ট্ৰসমূহৰ চৰকাৰ প্ৰধানসকলৰ বৈঠকত ভাগ লোৱাৰ সুযোগতে এণ্টিগুৱা আৰু বাৰ্বুদাৰ প্ৰধানমন্ত্ৰী গেষ্টন ব্ৰাউনক সাক্ষাৎ কৰে। নেতা দুগৰাকীয়ে কালি অনুষ্ঠিত বৈঠকত বাণিজ্য আৰু বিনিয়োগ, খাদ্য প্ৰসংস্কৰণ আৰু নবীকৰণযোগ্য শক্তি খণ্ডত দ্বিপাক্ষিক সহযোগিতা প্ৰসাৰৰ উপায় সম্পৰ্কে আলোচনা কৰে। ড০ জয়শংকৰে প্ৰধানমন্ত্ৰী মোদীৰ হৈ তেওঁক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে কমনৱেল্থ ৰাষ্ট্ৰসমূহৰ চৰকাৰ প্ৰধানসকলৰ বৈঠক সফলতাৰে আয়োজন কৰাৰ বাবে অভিনন্দন জনায়। ইয়াৰ পূৰ্বে আন এখন বৈঠকত জয়শংকৰে

এণ্টিগুৱা আৰু বাৰ্বুদাৰ বিদেশ মন্ত্ৰী শ্বেট গ্ৰীণৰ সৈতে স্বাস্থ্য সেৱা, শিক্ষা, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ, প্ৰশিক্ষণ আৰু দক্ষতা খণ্ডত সহযোগিতা শক্তিশালী কৰি তোলা সম্পৰ্কে আলোচনাত মিলিত হয়। এই বৈঠকসমূহে কেৰিবিয়ান অঞ্চলজুৰি ভাৰতে অৰ্থনৈতিক আৰু উন্নয়ন অংশীদাৰিত্ব গভীৰ কৰি তুলিব বিচৰা বিষয়কে প্ৰতিফলিত কৰে। বিদেশ মন্ত্ৰীগৰাকীয়ে লগতে কমনৱেল্থ ৰাষ্ট্ৰৰ চৰকাৰ প্ৰধান আৰু ব্যৱসায়িক নেতাসকলৰ সৈতে পুৱাৰ আহাৰৰ সময়ত হোৱা বৈঠকত অংশগ্ৰহণ কৰি কমনৱেল্থৰ সহযোগী ৰাষ্ট্ৰসমূহে বিপদাংশকা হ্ৰাস কৰা আৰু ভিন ভিন খণ্ডলৈ কাৰ্যকলাপ তথা বিনিয়োগ আদি সম্প্ৰসাৰণ কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। মন্ত্ৰীগৰাকীয়ে বিশ্বজুৰি বিয়পি থকা ভাৰতীয় ব্যৱসায়িক সম্প্ৰদায়সমূহক কমনৱেল্থৰ বাবে এটা সম্পদ বুলি অভিহিত কৰে। তেওঁ শক্তিশালী অধিক সংযুক্ত আৰু সমৃদ্ধিশালী কমনৱেল্থ ৰাষ্ট্ৰৰ দৃষ্টিভংগী সম্পৰ্কেও আলোকপাত কৰে। ইয়াৰ পূৰ্বে ড০ জয়শংকৰে কমনৱেল্থ ৰাষ্ট্ৰসমূহৰ চৰকাৰ প্ৰধানসকলৰ বৈঠকৰ আপাহতে আলোচনাৰ সময়ত গায়ানাৰ ৰাষ্ট্ৰপতি ইৰফান আলীক দেশখনৰ পথ, স্বাস্থ্য সেৱা আৰু প্ৰতিৰক্ষা খণ্ডৰ বিভিন্ন প্ৰকল্প ৰূপায়ণৰ বাবে ৫০ কোটি মাৰ্কিন ডলাৰৰ ঋণ সাহায্য ঘোষণা কৰে। দুয়োখন দেশে ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি আৰু ইউ পি আইৰ দৰে ধন আদায় ব্যৱস্থা, অতি ক্ষুদ্ৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ উৎপাদনৰ ক্ষেত্ৰত সহযোগিতা আৰু ক্ষিপ্ৰ প্ৰভাৱশালী প্ৰকল্প সন্দৰ্ভত তিনিখন চুক্তিত স্বাক্ষৰ কৰে।

০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত শীঘ্ৰেই শান্তি চুক্তি সম্পাদন হ'ব বুলি বিশ্বাস ব্যক্ত কৰিছে। ইউক্ৰেইন আৰু ৰাছিয়াৰ সম্ভাব্য চুক্তিক বৃহৎ চুক্তি বুলি অভিহিত কৰি শ্ৰীট্ৰাম্পে কয় যে দেশ দুখনৰ উপৰি সমগ্ৰ ইউৰোপ এই প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত হোৱা উচিত।। হোৱাইট হাউছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীট্ৰাম্পে ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজৰ আলোচনা অনুষ্ঠিত কৰাৰ বাবে চলোৱা মানৱীয় প্ৰচেষ্টাৰ বাবে প্ৰথম মহিলা মেলানিয়া ট্ৰাম্পৰ ভূয়সী প্ৰশংসা কৰে। তেওঁ কয় যে সম্ভাব্য চুক্তিৰ বাবে কূটনৈতিক প্ৰয়াস অব্যাহত আছে। শ্ৰীট্ৰাম্পে লগতে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ কটকী কিৰিল ড'মিট্ৰিয়েভৰ সৈতে হোৱাইট হাউছত আলোচনা হোৱাৰ কথা নিশ্চিত কৰে। তেওঁ অৱশ্যে এই আলোচনাৰ সবিশেষ প্ৰকাশ কৰাৰ পৰা বিৰত থাকে।

০০০০

শিল্পী জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গক উন্নত চিকিৎসাৰ বাবে মুম্বাইলৈ লৈ যোৱা হৈছে। যোৱা কিছুদিন ধৰি গুৱাহাটীৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা গৰিমা শইকীয়া গাৰ্গক আজি স্বাস্থ্যজনিত সমস্যা আৰু উন্নত কাউন্সিলিঙৰ বাবে মুম্বাইলৈ লৈ যোৱা হৈছে। উল্লেখযোগ্য যে ৩১ অক্টোবৰত নুনমাটিৰ এখন ব্যক্তিগত বিদ্যালয়ৰ বাৰ্ষিক অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদানৰ পাছতে শ্ৰীমতী গাৰ্গ অসুস্থ হৈ পৰিছিল। লগে লগে তেওঁক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় আৰু উন্নত চিকিৎসাৰ বাবে কালি মুম্বাইলৈ লৈ যোৱা হৈছে।

০০০০

ভাৰতে এছিয়ান হকী চেম্পিয়নশ্বিপৰ খিতাপ অৰ্জন কৰিছে। ভাৰতে যোৱা নিশা পঞ্জাৰৰ ম'হালিত অনুষ্ঠিত ফাইনেলত জাপানক ৪-১ গ'লত পৰাস্ত কৰি ষষ্ঠ বাৰৰ বাবে প্ৰতিযোগিতাৰ খিতাপ দখল কৰে। ইপিনে, মালয়েছিয়াই কালি অনুষ্ঠিত তৃতীয় স্থানৰ খেলত দক্ষিণ কোৰিয়াক ৫-২ গ'লত পৰাভূত কৰি ব্ৰঞ্জৰ পদক হস্তগত কৰে। চীনে প্ৰতিযোগিতাত পঞ্চম স্থান দখল কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ